জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১০৫/২০২২**

**ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ কাৰ্যকৰী কমিটীৰ মধ্যকালীন বৈঠক উদ্বোধন কৰিলে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই**

## ভাৰতবৰ্ষত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই বৈঠক অসমত আয়োজনৰ সুযোগ দিয়াৰ বাবে লোকসভাৰ অধ্যক্ষক ধন্যবাদ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৯ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি অসম বিধান সভাত আয়োজিত এক অনুষ্ঠানত ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ কাৰ্যকৰী কমিটীৰ মধ্যকালীন বৈঠক উদ্বোধন কৰে।

বৈঠকত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতৰ সংসদীয় গণতন্ত্ৰ প্ৰতিষ্ঠাৰ সাত দশকৰ ভিতৰত আজিৰ দিনটো এক ঐতিহাসিক দিন হিচাপে পৰিগণিত হ'ব। প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ কাৰ্যকৰী কমিটীৰ মধ্যকালীন বৈঠক ভাৰতবৰ্ষত অনুষ্ঠিত হৈছে। অসম বিধান সভাত এই বৈঠক আয়োজনৰ বাবে ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ অসম ৰাজ্যিক কমিটীয়ে সুযোগ লাভ কৰা বাবে তেওঁ গৌৰৱান্বিত বুলিও কয়।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাক আদৰণী জনাই মুখ্যমন্ত্ৰীয়ে এই উল্লেখযোগ্য বৈঠকখন ৰাজ্যখনত অনুষ্ঠিত কৰাৰ সুযোগ দিয়াৰ বাবে তেখেতক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। এয়া অসমৰ সংসদীয় ইতিহাস আৰু ৰাজ্যৰ জনসাধাৰণৰ বাবে এক গৌৰৱময় মুহূৰ্ত বুলি তেওঁ কয়।

তেওঁ কয় যে ৯ টা মণ্ডলৰ ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ ৫৩ খন ৰাষ্ট্ৰৰ প্ৰতিনিধিসকলকে ভাৰ্চুৱেল অথবা প্ৰত্যক্ষভাৱে এই বৈঠকত অংশগ্ৰহণ কৰিছে। ব্ৰিটেইন, ঘানা, মালয়েছিয়া, অষ্ট্ৰেলিয়া, জিম্বাবুৱে, চিৰিয়া লিয়ন, কেনিয়া, টানজেনিয়া, বাৰ্বাদোছ, ছিংগাপুৰ আৰু ভাৰতবৰ্ষৰ প্ৰতিনিধিসকলে প্ৰত্যক্ষভাৱে এই বৈঠকত অংশ লোৱাৰ লগতে অন্যান্য দেশসমূহে ভাৰ্চুৱেলি অংশগ্ৰহণ কৰিছে। এই ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধিবৰ্গ অসমলৈ অহা বাবে অত্যন্ত গৌৰৱ আৰু আনন্দবোধ কৰিছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ ভিতৰত বৃহত্তম অসম প্ৰাকৃতিক সম্পদত চহকী আৰু জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ। ৰাজ্যখনৰ কাজিৰঙা আৰু অন্যান্য ৰাষ্ট্ৰীয় উদ্যানসমূহত বিভিন্ন বন্যপ্ৰাণী বসবাস কৰাৰ লগতে এশিঙীয়া গঁড়ৰ বাবেও অসম বিখ্যাত। বিশ্বৰ অন্যতম বৃহৎ নদী ব্ৰহ্মপুত্ৰই ৰাজ্যৰ জনজীৱনক সাৰপানী যোগাই আহিছে। তেওঁ কয় যে অসমৰ চাহ সমগ্ৰ বিশ্বজুৰি জনপ্ৰিয় আৰু ৰাজ্যখনত প্ৰায় ৮৫০ খন চাহ বাগিচা আছে। ভাৰতবৰ্ষৰ পেট্ৰ'লিয়াম উদ্যোগ প্ৰথমবাৰৰ বাবে অসমৰ ডিগবৈত আৰম্ভ হৈছিল আৰু বৰ্তমান ৰাজ্যখনত ৪ টাকৈ তেল শোধনাগাৰ আছে বুলি উল্লেখ কৰি তেওঁ কয় যে পেট্ৰ'লিয়াম তথা অন্যান্য প্ৰাকৃতিক গেছৰ অফুৰন্ত ভাণ্ডাৰ ৰাজ্যখনত মজুত আছে।

তেওঁ কয় যে ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ বৈঠক অনুষ্ঠিত হোৱা অসম বিধান সভা ভাৰতীয় সংসদীয় গণতন্ত্ৰত অন্যতম পুৰণি তথা উত্তৰ প্ৰদেশ বিধান সভাৰ পিছত গঠিত দ্বিতীয়খন বিধান সভা। বিধান পৰিষদ আৰু বিধান সভাৰে দ্বি-সদনযুক্ত অসম বিধান সভা ভাৰত চৰকাৰৰ আইন ১৯৩৫ ৰ অধীনত গঠিত হৈছিল। বিধান সভালৈ নিৰ্বাচিত হোৱা প্ৰতিনিধিসকলে ১৯৩৭ চনৰ ৭ এপ্ৰিলত প্ৰথম মিলিত হৈছিল। ১৯৭২ চনত ৰাজ্যিক ৰাজধানী শ্বিলঙৰ পৰা দিছপুৰলৈ স্থানান্তৰিত কৰাৰ পিছৰে পৰা বৰ্তমানৰ চৌহদৰ পৰা অসম বিধান সভাৰ কাম-কাজ পৰিচালিত হৈ আহিছে বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা ৮ টা দশকত অসম বিধান সভাৰ মজিয়াত বহু ঐতিহাসিক বিতৰ্ক অনুষ্ঠিত হৈছে আৰু কেইবাগৰাকী প্ৰসিদ্ধ ব্যক্তিয়ে বিধান সভাৰ মজিয়া শুৱনি কৰি গৈছে। এই সকলৰ ভিতৰত ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ সবাতোকৈ উল্লেখযোগ্য। ঐতিহ্যপূৰ্ণ আৰু প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ অসমে ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ কাৰ্যকৰী কমিটীৰ মধ্যকালীন বৈঠক অনুষ্ঠিত কৰাৰ সুযোগ লাভ কৰাটো ৰাজ্যবাসীৰ বাবে গৌৰৱৰ বিষয় বুলি মন্তব্য কৰি তেওঁ আশা প্ৰকাশ কৰি কয় যে এই দুদিনীয়া বৈঠকত সাংবিধানিক, সংসদীয়, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশসমূহ বিকশাই তোলাৰ বাবে অৰ্থৱহ আলোচনা হ'ব। তেওঁ লগতে কয় যে বৈঠকত যোগদান কৰিবলৈ অহা প্ৰতিনিধিসকলে ৰাজ্যখনৰ সৌন্দৰ্য, ইয়াৰ প্ৰাকৃতিক সম্পদ আৰু চহকী ঐতিহ্যৰ সৈতে পৰিচিত হোৱাৰো সুযোগ লাভ কৰিব।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি এই বৈঠকৰ উদ্বোধনী ভাষণ প্ৰদান কৰে। ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ কাৰ্যকৰী অধ্যক্ষ তথা ব্ৰিটেইনৰ সাংসদ ইয়ান লিডল্ গ্ৰেইনজাৰে ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘই গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে আলোকপাত কৰি আশা প্ৰকাশ কৰি কয় যে গুৱাহাটীত অনুষ্ঠিত এই বৈঠকে বিশ্বজনীন বিষয়সমূহৰ ক্ষেত্ৰত এটা নতুন দিশ উন্মোচন কৰিবলৈ সক্ষম হ'ব। অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শলাগৰ শৰাই আগবঢ়ায়।

কেন্দ্ৰীয় মন্ত্ৰী, সাংসদ, ৰাজ্য চৰকাৰৰ মন্ত্ৰী, অসম বিধান সভাৰ সদস্য, লোক সভাৰ সচিব প্ৰধান উৎপল কুমাৰ সিং আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকলে এই উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে।

উল্লেখ্য যে ক'ভিড অতিমাৰীৰ বাবে তিনি বছৰ পিছত ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ এই বৈঠক গুৱাহাটীত প্ৰত্যক্ষভাৱে অনুষ্ঠিত হৈছে আৰু ৫৩ খন ৰাষ্ট্ৰমণ্ডল দেশৰ প্ৰতিনিধিয়ে ইয়াত উপস্থিত থাকি অথবা ডিজিটেল মাধ্যমেৰে অংশগ্ৰহণ কৰে।

**সুঃদঃ / পুঃডেঃ**
**৯-০৪-২০২২**